# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-12-2024
**Time :** 0755 Hrs

## *Assamese Morning Bulletin*

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে কাইলৈ বিভিন্ন ক্ষেত্ৰত উৎকৃষ্ট প্ৰদৰ্শন দেখুওৱা বিশেষভাৱে সক্ষম লোকসকলক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰিব। অনুষ্ঠানত মুঠ ২২ গৰাকী ব্যক্তি আৰু ১১ খন অনুষ্ঠান-প্ৰতিষ্ঠানক বঁটা প্ৰদান কৰা হ'ব। সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে অনুষ্ঠানত দিব্যাংগ লোকসকলৰ সবলীকৰণৰ বাবে বিভিন্ন কল্যাণমূলক আঁচনিও মুকলি কৰিব।

অমৰ জৈনক এই বছৰৰ সৰ্বশ্ৰেষ্ঠ **দিব্যাংগজন** শাখাত ব্যক্তিগত উৎকৃষ্টতাৰ বাবে ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে সম্পূৰ্ণ দৃষ্টিহীনতা থকা অমৰ জৈন আইন বৃত্তিৰ সৈতে জড়িত।

আনহাতে চলা-ফুৰা কৰাৰ ক্ষেত্ৰত ৭৫ শতাংশ শাৰীৰিক অক্ষমতা থকা প্ৰতীক খণ্ডেলৱালকো এই বছৰৰ সৰ্বশ্ৰেষ্ঠ **দিব্যাংগজন** শাখাত ব্যক্তিগত উৎকৃষ্টতাৰ বাবে ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হ'ব। শ্ৰীখাণ্ডেলৱাল হৈছে **ৰেম্প মাই চিটী**ৰ প্ৰতিষ্ঠাপক।

ooooooo

আজি অসম দিৱস। বৰ অসমৰ ভেঁটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ বীৰত্ব, বিচক্ষণতা আৰু অৱদানক সুঁৱৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম দিৱস উপলক্ষে ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদামক্ষেত্ৰত অসম দিৱস দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হ'ব। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে বিধায়ক দেৱব্ৰত শইকীয়া, প্ৰদীপ হাজৰিকা, সুশান্ত বৰগোহাঁই আৰু ধৰ্মেশ্বৰ কোঁৱৰ উপস্থিত থাকিব। শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ, ড০ সৌমাৰ জ্যোতি মহন্তই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব।

oooooo

দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমতো কৃষি বিভাগে ৰাজহ বিভাগৰ সহযোগত কৃষক পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ কৰিছে। লখিমপুৰ জিলাৰ কৃষি বিভাগে আৰম্ভ কৰা এই প্ৰক্ৰিয়া অনুসৰি অহা ১৫ ডিচেম্বৰ পৰ্যন্ত জিলাখনৰ আটাইকেইটা কৃষি চক্ৰ আৰু গাঁও পঞ্চায়ত সামৰি কৃষক পঞ্জীয়ন আৰম্ভ হ'ব। নিজৰ নামত জমাবন্দী থকা কৃষকসকল এই পঞ্জীয়নৰ বাবে যোগ্য বিবেচিত হ'ব। পঞ্জীয়নৰ বাবে আহোতে কৃষকসকলক নিজৰ আধাৰ কাৰ্ড আৰু মাটিৰ জমাবন্দীৰ প্ৰতিলিপি লগত লৈ আহিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে পঞ্জীভুক্ত কৃষকসকলেহে পৰৱৰ্ত্তী সময়ত প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি, ফচল বীমা যোজনা, কিষাণ ক্ৰেডিট কাৰ্ড, ধান আৰু সৰিয়হ ক্ৰয় আঁচনিৰ সুবিধা লাভ কৰিব পাৰিব বুলি জিলা কৃষি বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

oooooo

যোৱা কিছুদিন ধৰি নগাঁও জিলাৰ বিভিন্ন স্থানত আতংকৰ সৃষ্টি কৰি অহা কীটটোক মাইকী ছিগা বুলি নগাঁও জিলা স্বাস্থ্য বিভাগে চিনাক্ত কৰিছে। জিলাখনত এই কীটটোৰ আক্ৰমণত শতাধিক লোক চিকিৎসাধীন হ'বলগা হৈছিল। সাধাৰণতে এন্দুৰ, নিগনিৰ গাঁতত এই কীটটো থাকে বুলি স্বাস্থ্য বিভাগৰ তৰফৰ পৰা সদৰী কৰা হৈছে। মানুহৰ স্পৰ্শলৈ আহিলে যি ডোখৰ স্থানত কামুৰে সেই স্থানত ক্ষতচিহ্ন হয় আৰু প্ৰচণ্ড বিষ অনুভৱ হয়। এই কীটে কামুৰিলে ২১ দিনৰ ভিতৰত স্কাব টাইফাছ বেমাৰ হ'ব পাৰে বুলিও স্বাস্থ্য বিভাগে উল্লেখ কৰে। এই বেমাৰত আক্ৰান্ত হ'লে মানুহৰ মৃত্যু পৰ্যন্ত হ'ব পাৰে। বৰ্তমানেও নগাঁও অসামৰিক চিকিৎসালয়ত এই কীটে আক্ৰমণ কৰা কেইবাজনো লোক চিকিৎসাধীন হৈ আছে। অৱশ্যে এই কীটে আক্ৰমণ কৰাৰ ফলত হোৱা বেমাৰ মহামাৰী নহয় বুলি নগাঁও স্বাস্থ্য বিষয়াই সদৰী কৰে। নগাঁও স্বাস্থ্য বিভাগৰ ১৬ জনীয়া এটা দলে সংশ্লিষ্ট স্থানলৈ গৈ আক্ৰান্ত লোকসকলৰ পৰীক্ষা কৰাৰ লগতে নমুনা সংগ্ৰহ কৰিছে।

০০০০০০০

দৰং জিলাৰ অগ্ৰণী গ্ৰন্থ ব্যৱসায়ী, মঙলদৈ নগৰৰ প্ৰাচীন গ্ৰন্থ প্ৰতিষ্ঠান জ্ঞানজ্যোতিৰ স্বত্বাধিকাৰী নিত্যানন্দ সাহাৰ কালি তেওঁৰ  মঙলদৈৰ ৩ নম্বৰ ৱাৰ্ডৰ নিজা বাস ভৱনত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮১ বছৰ। ৮০ দশকত মঙলদৈ নগৰত জ্ঞানজ্যোতি গ্ৰন্থ বিপণী প্ৰতিষ্ঠা কৰি অঞ্চলটোত গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ সৃষ্টি কৰা মঙলদৈৰ ৰাম জানকী মন্দিৰকে ধৰি ভালেমান সামাজিক সংগঠনৰ সৈতে জড়িত আছিল।

০০০০০০০

গ্ৰেণ্ডমাষ্টৰ অৰ্জুন এৰিগাইচি ক্লাছিকেল ডবাৰ সন্মানীয় **টু থাউজেণ্ড এইট হাণ্ড্ৰেড এল' ৰেটিঙ**ত স্থান লাভ কৰা দ্বিতীয়গৰাকী ভাৰতীয় খেলুৱৈ হিচাপে পৰিগণিত হৈছে। এৰিগাইচি হৈছে বৰ্তমান বিশ্বৰ ৪ নম্বৰ ডবা খেলুৱৈ। আন্তঃৰাষ্ট্ৰীয় ডবা সংঘই সামাজিক মাধ্যমত দিয়া এটা পোষ্টত কৈছে যে **ক্লাছিকেল ডবা ৰেটিঙত টু থাউজেণ্ড এইট হাণ্ড্ৰেড এল' বেৰিয়া**ৰ ভংগ কৰা এৰিগাইচি হৈছে বিশ্বৰ যোড়শ সংখ্যক খেলুৱৈ।

তেলেংগানাৰ ৱাৰাংগলত জন্মগ্ৰহণ কৰা কৰা এৰিগাইচিয়ে চলিত বছৰৰ ডবা অলিম্পিয়াডতো উৎকৃষ্ট প্ৰদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। তেওঁ ব্যক্তিগত আৰু দলীয় শাখাত সোণৰ পদক অৰ্জন কৰি ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিছে।

০০০০০০০

ওমানৰ মাস্কটত চলি থকা জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ পুল-এৰ এখন খেলত ভাৰতে কালি দক্ষিণ কোৰিয়াক ৮-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ অশ্বদ্বীপ সিঙে তিনিটা গল দি হেট্ৰিক কৰাৰ বিপৰীতে অৰিজিৎ সিঙে দুটা গল দিয়ে। গুৰজ্যোৎ সিং, ৰোচন কুজুৰ আৰু ৰোহিতে এটাকৈ গল দিয়ে। আনহাতে কোৰিয়াৰ হৈ টেহিয়ন কিমে এটা গল দিয়ে। এই জয়ৰ সুবাদত ভাৰতে ছেমি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০০

**সমাপ্ত**